**REGIONAL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 13-01-2026 **Time :** 0755 Hrs.

অসমৰ বাপোতি সাহোন ভোগালী বিহুৰ আজি উৰুকা। ৰাজ্যৰ বিভিন্ন প্ৰান্তত ব্যাপক উৎসাহ উদ্দীপনাৰে উৰুকাৰ আয়োজন কৰা হৈছে। গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বজাৰসমূহ বিহুৰ সামগ্ৰীৰে ভৰি পৰিছে। অসমীয়াৰ হেঁপাহৰ ভোগালী বিহুৰ বাবে ঠায়ে ঠায়ে বিভিন্ন আৰ্হিৰে আটকধুনীয়া মেজি আৰু ভেলাঘৰ নিৰ্মাণ কৰাৰ লগতে ভোগালী মেলা অনুষ্ঠিত হৈছে। হেঁপাহৰ ভোগালীৰ উচাহত অতিথি আপ্যায়নৰ বাবে অসমীয়া ৰাইজে পিঠা-পনা, জা-জলপান প্ৰস্তুত কৰিছে।

ভোগালী বিহু উপলক্ষে ৰাজ্যপাল শ্ৰীলক্ষ্মণ প্ৰসাদ আচাৰ্য্যই ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। ভোগালী বিহু অসমৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ অমূল্য ধৰোহৰ বুলি ৰাজ্যপালগৰাকীয়ে অসমবাসীলৈ আগবঢ়োৱা মন্তব্যত উল্লেখ কৰে।

-বাইট- (ৰাজ্যপাল)

গুৱাহাটী মহানগৰীৰ উজান বজাৰত উৰুকা উপলক্ষে মাছৰ বজাৰত আজি পুৱতি নিশাৰ পৰা ক্ৰেতাৰ ভিৰ পৰিলক্ষিত কৰা হয়। একেদৰে, মহানগৰীৰ কলংপাৰ, বেলতলা, বামুণীমৈদাম, গণেশগুৰিৰ দৰে অন্যান্য বজাৰসমূহতো উৰুকাৰ লগভাতৰ যোগাৰ কৰিবলৈ ক্ৰেতা আৰু বিক্ৰেতাৰ বিপুল সমাগম হোৱা দেখিবলৈ পোৱা যায়।

ডিব্ৰুগড় জিলাতো ভোগালী বিহুৰ ব্যাপক আয়োজন কৰা হৈছে। জিলাখনৰ বিভিন্ন ঠাইত মেজি আৰু ভেলাঘৰ সাজি ভোজভাত খোৱাৰ প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে। জিলাখনৰ বাণীপুৰত ৰংঘৰৰ আৰ্হিত সজা ভেলাঘৰে সকলোৰে দৃষ্টি আকৰ্ষিত কৰিছে। জিলা প্ৰশাসনে উৰুকা আৰু মাঘ বিহু উপলক্ষে মাছ-মাংস,গাখীৰ-দৈকে ধৰি বিভিন্ন খাদ্য সামগ্ৰীৰ বজাৰমূল্য অতিৰিক্তভাৱে বৃদ্ধি নকৰিবলৈ বেপাৰীসকলৰ কাৰণে এখন নিৰ্দিষ্ট মূল্য তালিকা প্ৰকাশ কৰিছে।

কাছাৰ জিলাতো মকৰ সংক্ৰান্তি আৰু ভোগালী বিহু উপলক্ষে উৎসাহ উদ্দীপনা হৈছে। জিলাখনৰ বিভিন্ন গাঁও আৰু চহৰ অঞ্চলত সৃষ্টিশীল আৰ্হিত ভেলাঘৰ সাজি উলিওৱা হৈছে। পৰম্পৰাগত খাদ্য সম্ভাৰেৰে ভোগালীক আদৰিবলৈ কাছাৰ জিলাৰ ৰাইজ সাজু হৈছে।

ধেমাজি জিলাতো ভোগালী বিহু উপলক্ষে ব্যাপক প্ৰস্তুতি দেখা দিছে। ধেমাজিৰ বৰদলনি ভকতগাঁৱৰ বালিজানত যুৱকসকলে ব্যতিক্ৰমী ভেলাঘৰ সাজি উলিয়াইছে।

হোজাই জিলাৰ মীন বিভাগে আজি উৰুকা উপলক্ষে বিভিন্ন প্ৰজাতিৰ মাছৰ বিক্ৰীৰ বজাৰ মূল্য নিৰ্ধাৰণ কৰিছে। জিলা মীন বিষয়া ভৱানী প্ৰসাদ নাথে এই বিষয়ে উল্লেখ কৰি মাছৰ বজাৰত বিভিন্ন প্ৰজাতিৰ মাছৰ বিক্ৰীৰ নিৰ্দিষ্ট মূল্য বৰ্তাই ৰাখিবলৈ ব্যৱসায়ীসকলক আহ্বান জনায়।

ৰাজ্যৰ আন আন জিলাসমূহতো ভোগালী বিহু উপলক্ষে ব্যাপক উছাহ পৰিলক্ষিত হৈছে।

০০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আজি এদিনীয়া ভ্ৰমণসূচীৰে বৰাক উপত্যকাত উপস্থিত হ'ব। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত কাছাৰ আৰু শ্ৰীভূমি জিলাত ড০ শৰ্মাই মহিলা হিতাধিকাৰীসকলৰ মাজত চেক বিতৰণ কৰিব। শ্ৰীভূমি জিলাৰ ক্ৰীড়া সন্থা খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া কাৰ্যসূচীত ১৪হাজাৰ ১৩৫গৰাকী মহিলাক ১০ হাজাৰ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। কাছাৰ জিলাৰ শিলচৰত উপস্থিত হৈ মুখ্যমন্ত্ৰী ড০ শৰ্মাই সদ্যপ্ৰয়াত প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কবীন্দ্ৰ পুৰকায়স্থৰ পৰিয়ালকো সাক্ষাৎ কৰিব। ইয়াৰ পাছত কাটিগৰা বিধানসভা সমষ্টিৰ ৰাজপুৰ খেলপথাৰত আৰু বৰখলা বিধানসভা সমষ্টিৰ শিলকুৰি খেলপথাৰত মুখ্যমন্ত্ৰীগৰাকীয়ে চেক প্ৰদান কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

০০০০০০০০

জামুগুৰিহাটৰ ধলাইবিল আৰু নাহৰবাৰীৰ মাজৰ জ্যোতি-বিষ্ণু সমন্বয় ক্ষেত্ৰত অহা ৬ ফেব্ৰুৱাৰীৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক ৰাজ্যিক অধিৱেশনৰ বাবে ব্যাপক প্ৰস্তুতি অব্যাহত আছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা আহিবলগীয়া ভকতক আদৰিবলৈ জামুগুৰিৰ ৰাইজ সাজু হোৱাৰ লগতে আই-মাতৃসকলে হৰিনামেৰে সমন্বয় ক্ষেত্ৰখনি মুখৰিত কৰি ৰাখিছে। অলপতে সংঘৰ পদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকাই অধিৱেশনস্থলীত উপস্থিত হৈ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। প্ৰস্তুতিক লৈ শ্ৰীডেকাই সন্তুষ্টি প্ৰকাশ কৰাৰ উপৰি অধিৱেশনখনি প্ৰতিটো দিশতে সৰ্বাসুন্দৰ হ'ব বুলি উল্লেখ কৰে।

০০০০০০০০

**সমাপ্ত**